# অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
# ASSAM JATIYA BIDYALAY EDUCATION COUNCIL

AJBEC
অজাবি শিক্ষা সংসদ

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020
Ph. : 0361-2654229, 98642 02080, e-mail : ajbecghy@gmail.com, website : www.ajbec.com


প্ৰসংগ ঃ এজবেক/০০৯/১০/২০২৩-২৪ Ref : তাৰিখ ঃ ০৩-০১-২০২৪ Date :

## অসম জাতীয় বিদ্যালয়ত সদৌ অসম আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতা প্ৰথম স্থানত গোলাঘাটৰ মহাত্মা বাল্য ভৱনৰ স্নেহা কলিতা

**নুনমাটি, গুৱাহাটী, ৩ জানুৱাৰী ঃ** অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ উদ্যোগত আজি বিদ্যালয় চৌহদত সদৌ অসম আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হয়। সদনৰ মতে, 'ৰাজহুৱা খণ্ডৰ ব্যক্তিগতকৰণ হৈছে ভাৰতৰ অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰাৰ একমাত্ৰ উপায়' ("Privatisation of public sectors is the only way to accelerate the economic development of India") বিষয়ত আয়োজন কৰা এই তৰ্ক প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰে গোলাঘাট জিলাৰ মহাত্মা বাল্য ভৱনৰ শিক্ষাৰ্থী স্নেহা কলিতাই। দ্বিতীয় পুৰস্কাৰ লাভ কৰে লখিমপুৰ জিলাৰ জিজ্ঞাসা জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থী তনুশ্ৰী পাঠকে। আনহাতে তৰ্ক প্ৰতিযোগিতাখনত তৃতীয় পুৰস্কাৰ লাভ কৰে বিশ্বনাথ জিলাৰ অম্বিকাগিৰী ৰায়চৌধুৰী জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থী তৰংগনা প্ৰিয়ম ফুকনে। বিচাৰকৰ বিশেষ পুৰস্কাৰ লাভ কৰে অসম জাতীয় বিদ্যালয়, নুনমাটিৰ শিক্ষাৰ্থী ৰোহিত গাঁওখোৱা আৰু তিনিচুকীয়া জিলাৰ চিকৰাজান জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থী মানক্ষী বৰাই। প্ৰথম পুৰস্কাৰ প্ৰাপ্ত প্ৰতিযোগীগৰাকীলৈ ট্ৰফী, মান-পত্ৰ আৰু নগদ ১০,০০০.০০টকা আগবঢ়োৱা হয়। আনহাতে দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ প্ৰাপ্ত প্ৰতিযোগীলৈ ট্ৰফী, মান-পত্ৰ আৰু ক্ৰমে নগদ ৭,০০০.০০ আৰু ৫,০০০.০০ টকা আগবঢ়োৱা হয়। বিচাৰকৰ বিশেষ পুৰস্কাৰ লাভ কৰা প্ৰতিযোগীসকললৈ কিতাপৰ টোপোলা আগবঢ়োৱা হয়। উল্লেখযোগ্য যে এই প্ৰতিযোগিতাখনত ৰাজ্যখনৰ ১৫ খন জিলাৰ মুঠ ৩০ গৰাকী শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। এই প্ৰতিযোগিতাখনত অধ্যক্ষ হিচাপে উপস্থিত থাকে দিছপুৰ কলেজৰ অধ্যক্ষ ড° নৱজ্যোতি বৰা। প্ৰতিযোগিতাখনত বিচাৰকৰ দায়িত্বত আছিল গুৱাহাটী বিশ্ববিদ্যালয় সহকাৰী অধ্যাপিকা ড° বিদুলা শৰ্মা, পাঠশালাৰ ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° সত্যজিত দাস আৰু 'নিউজ১৮ অসম নৰ্থ ইষ্ট'ৰ জ্যেষ্ঠ সাংবাদিক পাৰ্থজ্যোতি বৰা। অনুষ্ঠানৰ আৰম্ভণিতে সকলোৰে উদ্দেশ্যি আদৰণী ভাষণ দিয়ে বিদ্যালয়ৰ উপাধ্যক্ষ ৰবীন্দ্ৰ বৰ্মনে। ভাষণ প্ৰসংগত উপাধ্যক্ষগৰাকীয়ে যিকোনো বিষয় উপস্থাপনৰ বাবে শ্ৰেণীকোঠাই প্ৰথমখন মঞ্চ বুলি বুজি লৈ শ্ৰেণীত সক্ৰিয়তাৰে অংশ ল'বলৈ শিক্ষাৰ্থীসকলক আহ্বান জনায়। অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ সচিব ডা° নাৰায়ণ শৰ্মাই ভাষণ প্ৰসংগত তাৰ্কিক শিক্ষাৰ্থীসকলে প্ৰতিযোগিতাৰ বিষয়টো গভীৰভাৱে অধ্যয়ন কৰি সুন্দৰভাৱে উপস্থাপন কৰাৰ বাবে তেওঁলোকক প্ৰশংসা কৰে আৰু ভৱিষ্যতলৈ জটিল বিষয়বোৰ ভালদৰে অধ্যয়ন কৰিবলৈ সকলোকে আহ্বান জনায়। এই অনুষ্ঠানতে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ সমন্বয়ক অসীম কৃষ্ণ বৰুৱাই এনেধৰণৰ তৰ্ক প্ৰতিযোগিতাত অংশ লোৱা তথা বিষয় এটা অধ্যয়ন কৰাৰ অভ্যাসে শিক্ষাৰ্থীসকলৰ ভৱিষ্যত জীৱনত সহায়ক হ'ব বুলি ভাষণ প্ৰসংগত কয়। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় তৰ্ক আৰু কুইজ বিভাগৰ আহ্বায়ক সোণালী গগৈয়ে। অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী অপৰ্ণা দেৱীয়ে।

ঘনশ্যাম মেধি

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়

অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
ASSAM JATIYA BIDYALAY EDUCATION COUNCIL
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020
Ph. : 0361-2654229, 98642 02080, e-mail : ajbecghy@gmail.com, website : www.ajbec.com

প্ৰসংগ ঃ
Ref : AJBEC/009/10/2023-24

তাৰিখ ঃ
Date : 03-01-2024

# All Assam Inter-Jatiya Bidyalay Debate Competition held at Assam Jatiya Bidyalay, Noonmati

**Noonmati, Guwahati, 3rd January 2024** : The All Assam Inter-Jatiya Bidyalay Debate Competition was held at Assam Jatiya Bidyalay, Noonmati, on Wednesday. A total of 30 debaters from 15 districts participated in the competition. The topic of the debate competition, in the opinion of the house, was "Privatisation of Public Sectors is the only way to accelerate the Economic Development". Sneha Kalita of Mahatma Balya Bhawan, Golaghat secured first position. Tanushri Pathak of Jigyasha Jatiya Bidyalay, Lakhimpur secured second position.Tarangana Priyom Phukan of Ambikagiri Ray Choudhury Jatiya Bidyalay, Biswanath secured third position in the debate competition. Jury's special award goes to Rohit Gaonkhowa, a student of Assam Jatiya Bidyalay, Noonmati well as to Manakshi Bora, a student of Chikarajan Jatiya Bidyalay, Tinsukia. The first prize awardee received a trophy, a certificate and a cash of Rs. 10,000. The second and third prize awardee received a trophy, a certificate and a cash of Rs. 7,000 and Rs. 5,000 respectively. The participants who received the Jury's special award got a bundle of books. Dr. Nabajyoti Bora, principal of Dispur College, was present as the Speaker in the debate competition. Dr. Bidula Sarma, Assistant Professor of Gauhati University; Dr. Satyajit Das, Professor of Bhattadev University, Pathsala and Parthajit Bora, senior reporter, News18 Assam North East were present as the judges of the debate competition. The programme began with an introductory speech delivered by Rabindra Barman, vice-principal, Assam Jatiya Bidyalay, Noonmati. Dr. Narayan Sarma, Secretary, Assam Jatiya Bidyalay Education Council, praised the participants as they thoroughly studied the subject matter of the debate competition and presented in a spectacular way. He also urged the students to study the difficult subject matters carefully and earnestly. In this programme, Ashim Krishna Barua, co-ordinator, AJBEC, mentioned that participating in these kinds of events will help the students immensely to progress in their future lives. At the end of the program, the vote of thanks was given by the convener of the debating and quiz forum, Sonalee Gogoi. The whole programme was anchored by Aparna Devi, senior teacher of Assam Jatiya Bidyalay, Noonmati.

Ghanashyam Medhi

(Ghanashyam Medhi)
Principal
Assam Jatiya Bidyalay